DAILY ASSAM

অধ্যায় ২

# মানৱৰ বিকাশৰ স্তৰ

# (Stages of Human Development)

*"Plants are developed by cultivation and men by education."*

**- J.J. Rousseau**

**বিষয় বস্তু**

(ক) বৃদ্ধি আৰু বিকাশ
বিকাশৰ উপাদান
বিকাশৰ সাধাৰণ বৈশিষ্ট্য
বিকাশৰ স্তৰ নিৰ্ধাৰণ

(খ) শৈশৱকাল কাক বোলে?
শৈশৱৰ দেহ-মানসিক বিকাশৰ বৈশিষ্ট্য
শিশুৰ দেহ-মানসিক প্ৰয়োজন
শিশুৰ বিকাশত গৃহ-পৰিৱেশৰ প্ৰভাৱ
শৈশৱকালৰ শিক্ষা-ব্যৱস্থা

(গ) বাল্যকাল কাক বোলে?
বাল্যকালৰ বৈশিষ্ট্য
বাল্যকালৰ বাবে শিক্ষা-ব্যৱস্থা

(ঘ) কৈশোৰকাল কাক বোলে?
কৈশোৰকালৰ বৈশিষ্ট্যবোৰ
কৈশোৰৰ প্ৰয়োজনসমূহ
কৈশোৰৰ সমস্যাসমূহ
কিশোৰ-কিশোৰীৰ বাবে শিক্ষা-ব্যৱস্থা
প্ৰধান আলোচ্য বিষয়

এই অধ্যায় অধ্যয়ন কৰাৰ পিছত তোমালোকে —

- বিকাশ আৰু ইয়াৰ বৈশিষ্ট্যৰ বিষয়ে জানিবলৈ পাৰিবা।
- মানুহৰ বিকাশৰ স্তৰৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- শিশুৰ ক্ষেত্ৰত গৃহ পৰিৱেশৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- বিকাশৰ প্ৰথম তিনিটা স্তৰৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে জানিবলৈ পাৰিবা।

## প্ৰস্তাৱনা

মাতৃ-গৰ্ভৰ পৰা জন্ম লাভ কৰিয়েই এটি নৱজাত শিশুই বাহ্যিক পৃথিৱীৰ লগত সমাযোজন কৰিবলগীয়া হয়। নিচেই কেঁচুৱা অৱস্থাত খোৱা-পিন্ধা আদি সকলো ক্ষেত্ৰতে শিশুই অসহায় অৱস্থাত থাকে। পিতৃ-মাতৃ তথা পৰিয়ালৰ অন্যান্য ব্যক্তিৰ মৰম আৰু সহায়ত শিশুটিৰ ক্ৰমান্বয়ে শাৰীৰিক, মানসিক, আৱেগিক আদি বিকাশৰ দিশত অগ্ৰসৰ হ'বলৈ ধৰে। জন্মৰ পৰা মৃত্যুলৈকে বিকাশৰ এই প্ৰক্ৰিয়াবোৰ অবিৰতভাৱে চলি থাকে। জীৱনটো যদিও এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া, তথাপি কিছুমান বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি শিক্ষাবিদ আৰু চিন্তাবিদসকলে মানুহৰ জীৱনটোক চাৰিটা ভাগত বিভক্ত কৰিছে। এইকেইটা হৈছে— শৈশৱকাল (Infancy), বাল্যকাল (Childhood), কৈশোৰকাল (Adolescence) আৰু প্ৰাপ্তৱয়স্ক (Adulthood)। এই ভাগকেইটাক মানৱ জীৱনৰ বিকাশৰ স্তৰ বুলি অভিহিত কৰা হৈছে আৰু প্ৰত্যেকটো স্তৰৰ বয়সৰ সময় সীমাবোৰো নিৰ্ধাৰিণ কৰা হৈছে। আলোচনাৰ সুবিধাৰ্থে বয়সৰ স্তৰবোৰক এনেদৰে ভাগ কৰা হৈছে যদিও এই ক্ষেত্ৰত শিক্ষাবিদ আৰঃ চিন্তাবিদসকলৰ মাজত মতপাৰ্থক্য দেখা যায়।

### বৃদ্ধি আৰু বিকাশ (Growth and Development) ঃ

বিকাশৰ স্তৰ আলোচনা কৰাৰ আগতে বিকাশ শব্দৰ স্বৰূপ জনা দৰকাৰ। মন কৰিবলগীয়া যে বৃদ্ধি আৰু বিকাশ একে নহয়। সাধাৰণতে শাৰীৰিক ক্ষেত্ৰতহে বৃদ্ধি শব্দটো ব্যৱহাৰ কৰা হয়। দেহৰ আকৃতি, ওজন, উচ্চতা আৰু দেহ-কংকালৰ ক্ৰমাগতভাৱে বাঢ়ি যোৱা অৱস্থাকেই বৃদ্ধি (Growth) বোলা হয়। আনহাতে বিকাশ বুলিলে সেই আকৃতি, ওজন, উচ্চতা আদিয়ে সৃষ্টি কৰা কৰ্মক্ষমতা, দৈহিক পাৰদৰ্শিতা আদিক বুজায়। অৰ্থাৎ ই গুণগত অৰ্থসূচক। ইয়াৰ পৰিধি বহল। পৰিৱেশৰ এক সামূহিক আৰু দৈহিক প্ৰভাৱ মানুহৰ দৈহিক বৃদ্ধিত পৰে। ফলত বিকাশ সম্ভৱ হৈ উঠে। বৃদ্ধি মানুহৰ জীৱনৰ এক সাময়িক প্ৰক্ৰিয়া কিন্তু বিকাশ এক জীৱনব্যাপি চলা অবিৰত প্ৰক্ৰিয়া।

### বিকাশৰ চাৰিটা উপাদান (The four basic element of development) ঃ

১। বৃদ্ধি (Growth)
২। সম্পূৰ্ণতা বা পৰিপক্কতা (Maturity)
৩। অভিজ্ঞতা (Experience)
৪। সামাজিক প্ৰদান কাৰ্য বা সামাজিক স্থানান্তৰিতকৰণ (Social transmission)

### বিকাশৰ সাধাৰণ বৈশিষ্ট্য (General characteristics of development)

বিকাশৰ সাধাৰণ বৈশিষ্ট্য বা লক্ষণ আছে। এইবোৰৰ পৰাই বিকাশৰ স্বৰূপ ভালদৰে জানিব

DAILY ASSAM



পাৰি। তলত বিকাশৰ সাধাৰণ বৈশিষ্ট্যবোৰ দিয়া হ'ল।

১। বিকাশৰ প্ৰক্ৰিয়া প্ৰধানকৈ বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰে। এই দুই প্ৰভাৱৰ সহযোগত শিশুৰ বিকাশ সাধন হয়।

২। বিকাশৰ গতি সকলো সময়তে স্বাভাৱিক আৰু সমৰূপতে নাথাকে। সময় বিশেষে এই গতি দ্ৰুততৰ বা মন্থৰ হয়।

৩। বিকাশ নিৰৱচ্ছিন্ন এক দীৰ্ঘম্যাদি প্ৰক্ৰিয়া। সেয়েহে স্তৰৰ স্পষ্ট ব্যৱধান নিৰ্ণয় কৰিব নোৱাৰি।

৪। বিকাশৰ ক্ষেত্ৰত লিংগ প্ৰভেদৰ কথাও বিবেচিত হয়। ল'ৰা-ছোৱালীৰ দৈহিক আৰু মানসিক ক্ষেত্ৰত কিছু পাৰ্থক্য দেখা যায় বুলি কোৱা হয়। এই ক্ষেত্ৰত ছোৱালী ল'ৰাতকৈ দুবছৰ আগবাঢ়ি থাকে বুলি মনোবিদসকলে কয়।

৫। দৈহিক, মানসিক, আৱেগিক, সামাজিক আদি দিশত হোৱা পৰিৱৰ্তনৰ এক সমন্বয় সাধন কৰি বিকাশ সংঘটিত হয়। এইসমূহ দিশৰ বিকাশে পৃথক আৰু স্বতন্ত্ৰ বিধৰ হৈ নুঠে।

### বিকাশৰ স্তৰ নিৰ্ধাৰণ (Determination of the stages of development)

শিক্ষাবিদ তথা চিন্তাবিদসকলে মানুহৰ জীৱনটোক বয়স অনুযায়ী কেইটামান স্তৰত ভাগ কৰিছে। এইক্ষেত্ৰত তেওঁলোকৰ মাজত মত পাৰ্থক্য দেখা যায়। এই বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।

**মনত ৰাখিবলগীয়া**

- বৃদ্ধি আৰু বিকাশ

  বৃদ্ধি আৰু বিকাশ একে নহয়। বৃদ্ধি শব্দটো শাৰীৰিক ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। দেহৰ আকৃতি, ওজন, উচ্চতা আৰু দেহ-কংকালৰ ক্ৰমাগতভাৱে বাঢ়ি যোৱা অৱস্থাকে বৃদ্ধি বোলে। আনহাতে বিকাশ বুলিলে সেই আকৃতি, ওজন, উচ্চতা আদিয়ে সৃষ্টি কৰা কৰ্মক্ষমতা, দৈহিক পাৰদৰ্শিতা আদিক বুজায়। ই গুণগত অৰ্থসুচক। বিকাশৰ পৰিধি বহল।
- বিকাশৰ ৪ টা উপাদান হৈছে — (১) বৃদ্ধি, (২) সম্পূৰ্ণতা বা পৰিপক্কতা, (৩) অভিজ্ঞতা আৰু (৪) সামাজিক প্ৰদান কাৰ্য
- বিকাশৰ কিছুমান সাধাৰণ বৈশিষ্ট্য থাকে।

**ৰুছোৰ বিভাজন (Roussean's division)** ঃ ফৰাচী দাৰ্শনিক ৰুছোৱে তেওঁৰ 'এমিল' (Emile) নামৰ গ্ৰন্থত পোন প্ৰথমবাৰৰ বাবে মানুহৰ বিকাশক চাৰিটা স্তৰত বিভাজন কৰি প্ৰত্যেক স্তৰৰ সময়-সীমা নিৰ্ধাৰণ কৰি দেখুৱাইছিল। প্ৰত্যেক স্তৰতে পৃথক শিক্ষা ব্যৱস্থাৰ কথাও কৈছিল। তেওঁৰ মতে বয়স অনুযায়ী স্তৰসমূহ হ'ল —

(১) শৈশৱকাল (Infancy) - জন্মৰ পৰা ৫ বছৰলৈ

(২) বাল্যকাল (Childhood) - ৫ বছৰৰ পৰা ১২ বছৰলৈ

(৩) প্ৰাক কৈশোৰকাল (Early adolescence) - ১২ বছৰৰ পৰা ১৫ বছৰলৈ

(৪) শেহতীয়া কৈশোৰকাল (Late adolescence) - ১৫ বছৰৰ পৰা ২০ বছৰলৈ

**আৰ্নেষ্ট জোনচ্‌ৰ শ্ৰেণীবিভাজন (Division of Earnest Jones)** ঃ ৰুছোৰ শ্ৰেণীবিভাজনৰ লগত সংগতি ৰাখি শিক্ষাবিদ আৰ্নেষ্ট জোনচ্‌এ মানৱ জীৱনক চাৰিটা মূল স্তৰত ভাগ কৰিছে। স্তৰকেইটা আৰু সময় নিৰ্ধাৰণ হৈছে এনেধৰণৰ—

(১) শৈশৱকাল (Infancy)-জন্মৰ পৰা ৫ বছৰলৈ

(২) শেষতীয়া বাল্যকাল (Late childhood) -৫ ৰ পৰা ১২ বছৰলৈ

(৩) কৈশোৰকাল (Adolescence)-১২ ৰ পৰা ১৮ বছৰলৈ

(৪) বয়ঃপ্ৰাপ্তিকাল (Maturity)-১৮ বছৰৰ পিছত

**ৰাইবাৰ্ণৰ বিভাজন (Ryburn's division)** ঃ শিক্ষাবিদ ডব্লিউ. এম. ৰাইবাৰ্ণে বিকাশৰ স্তৰ অধিক সুক্ষ্মভাৱে বিভাজন কৰিছে। তেওঁ মানুহৰ বিকাশৰ প্ৰক্ৰিয়াক মূলতঃ ৬ টা বিশেষ শ্ৰেণীত ভাগ কৰিছে। বয়স অনুযায়ী এই স্তৰসমূহ হ'ল —

(১) শৈশৱকাল (Infancy) - জন্মৰ পৰা ২ $\frac{১}{২}$ বা ৩ বছৰলৈ

মনত ৰাখিবলগীয়া

- বিকাশৰ স্তৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত শিক্ষাবিদ আৰু চিন্তাবিদসকলৰ মাজত মত পাৰ্থক্য দেখা যায়। তাৰ ভিতৰত ৰুছো, আৰ্নেষ্ট জোনচ্, ৰাইবাৰ্ণৰ বিকাশৰ স্তৰ নিৰ্ধাৰণৰ কথা উল্লেখযোগ্য। মানুহৰ বিকাশৰ স্তৰকেইটাৰ বিভাজন আৰু সময়-সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত মত পাৰ্থক্য থাকিলেও একেবাৰে মিল নাই বুলি ক'ব নোৱাৰি। যাহওঁক, এই বিভাজনবোৰৰ পৰা বিকাশৰ স্তৰ সাধাৰণভাৱে চাৰিটা ভাগত বিভক্ত কৰা হৈছে। এইকেইটা হৈছে — শৈশৱকাল, বাল্যকাল, কৈশোৰকাল আৰু প্ৰাপ্তবয়স্ককাল।

DAILY ASSAM



(২) আগতীয়া বাল্যকাল (Early childhood) - ৩ ৰ পৰা ৬/৭ বছৰলৈ - মানসিক বিকাশ পৰ্যায়

(৩) অৱস্থানৰ প্ৰাপ্তি বা পৰিৱৰ্তনসূচক কাল (Transitional period) - ৬/৭ বছৰৰ পৰা ৮ লৈ - দৈহিক বিকাশ পৰ্যায়

(৪) শেষতীয়া বাল্যকাল (Late childhood) - ৮ ৰ পৰা ১২ বছৰলৈ - মানসিক বিকাশ পৰ্যায়

(৫) আগতীয়া কৈশোৰ (Pre-adolescence) - ১২ ৰ পৰা ১৪ বছৰলৈ - দৈহিক বিকাশ পৰ্যায়

(৬) শেষতীয়া কৈশোৰ (Late adolescence) - ১৪ ৰ পৰা ১৮ বছৰলৈ - মানসিক বিকাশ পৰ্যায়

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে মানুহৰ বিকাশৰ স্তৰ কেইটাৰ বিভাজন আৰু সময়সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত শিক্ষাবিদ আৰু চিন্তাবিদসকলৰ মাজত মত পাৰ্থক্য থাকিলেও একেবাৰে মিল নাই বুলি ক'ব নোৱাৰি। যাহওঁক, এই বিভাজনবোৰৰ পৰা বিকাশৰ স্তৰ সাধাৰণভাৱে চাৰিটা ভাগত বিভক্ত কৰা হৈছে। এইকেইটা হৈছে — শৈশৱকাল, বাল্যকাল, কৈশোৰকাল আৰু প্ৰাপ্তবয়স্ককাল। বিকাশৰ বৈশিষ্ট্য উপলব্ধি কৰি ইয়াৰ প্ৰথম তিনিটা স্তৰৰ বিশেষ আলোচনা কৰা হ'ল।

## শৈশৱকাল

**(খ) শৈশৱকাল (Infancy) কাক বোলে?**

সাধাৰণতে জন্মৰ পৰা ৫ বছৰ বয়সৰ এই সময়ছোৱাক শৈশৱকাল বোলে। মানৱ জীৱনৰ ই প্ৰথম স্তৰ। এই কালছোৱা অতি গুৰুত্বপূৰ্ণ। কাৰণ এই কালছোৱাই মানৱ জীৱনৰ বিকাশৰ ভেটিস্বৰূপ। এই সময়ছোৱাৰ দৈহিক, মানসিক ক্ষমতাসমূহৰ বিকাশৰ ওপৰতে এজন ব্যক্তিৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰে।

**শৈশৱৰ দেহ-মানসিক বিকাশৰ বৈশিষ্ট্য (Characteristics of psycho-physical development of infancy) ঃ**

শৈশৱকালৰ দেহ-মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল।

**১। দ্ৰুত দৈহিক বিকাশ (Quick physical growth) ঃ** জন্মৰ পিছৰে পৰা শিশুৰ দ্ৰুত-দৈহিক বিকাশ পৰিলক্ষিত হয়। জন্মৰ সময়ত হোৱা ওজন প্ৰথম পাঁচ মাহতেই দুগুণলৈ বৃদ্ধি হৈ এবছৰৰ ভিতৰত ই তিনিগুণ হৈ উঠে। দেহৰ উচ্চতা বাঢ়ে। এবছৰৰ ভিতৰত দুয়োপাৰি দাঁত গজিবলৈ ধৰে। মাতৃগৰ্ভত থকা কালতেই শিশুৱে অংগ সঞ্চালন ক্ষমতা লাভ কৰে। ভ্ৰূণৰ আকাৰত মাতৃগৰ্ভত ন মাহ দহ দিন থকা অৱস্থাতে শিশুৰ হাত-ভৰি, স্নায়ু, ধমনী, মগজু আদি গঠিত হৈ আছে। জন্মৰ পিছৰে পৰা অংগ সঞ্চালন ক্ষমতা

বৃদ্ধি হ'বলৈ ধৰে। প্ৰথম অৱস্থাত শিশুৰ অংগ সঞ্চালনৰ নিয়ন্ত্ৰণ আৰু সমন্বয় সাধন ক্ষমতা নাথাকে। ক্ৰমাগতভাৱে হোৱা দৈহিক বিকাশে এই দুয়োবিধ ক্ষমতা আনি দিয়ে। ইয়াৰ ফলত উবুৰি হোৱা, বগোৱা, আঠু কঢ়া, থিয় হোৱা, খোজ কঢ়া, দৌৰা আদি সঞ্চালনমূলক ক্ৰিয়াসমূহ শিশুৱে তিনি বছৰৰ ভিতৰত কৰিব পৰা হয়।

২। পৰনিৰ্ভৰশীলতা (Dependance) ঃ এই সময়ত শিশু পৰনিৰ্ভৰশীল হয়। খোৱা-পিন্ধা আদি সকলো ক্ষেত্ৰতে শিশুৱে মাক-বাপেক আৰু বয়সস্কসকলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। বিশেষকৈ মাতৃৰ দৈহিক সান্নিধ্য শিশুৰ অতি প্ৰয়োজন। অৱশ্যে ধীৰে ধীৰে শিশুৱে কিছু দৈহিক সামৰ্থ আয়ত্ব কৰিবলৈ সক্ষম হয় আৰু আত্মনিৰ্ভৰশীল হ'বলৈ শিকে।

৩। ক্ৰীড়া-প্ৰৱণতা (Playfulness) ঃ এই সময়ত শিশুৰ ক্ৰীড়া-প্ৰৱণতা বৃদ্ধি হয়। দৌৰা, জপিওৱা, পুতলা আদি খেলা খেলি শিশুৱে পৰমানন্দ লাভ কৰে। শিশুৱে খেলাৰ জৰিয়তে বেছিভাগ সময় অতিবাহিত কৰে। খেলাই শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰে। খেলাৰ যোগেদি আন শিশুৰ লগত বন্ধুত্ব গঢ়ি তোলাৰ লগতে সামাজিক হ'বলৈ শিকে।

৪। ভাষাৰ বিকাশ (Language development) ঃ জন্মৰ প্ৰায় ছমাহ সময়ৰ পৰা শিশুৰ মুখত কেতবোৰ অস্পষ্ট স্বৰধ্বনি উচ্চাৰিত হয়। পিছলৈ এনেবোৰ উচ্চাৰণেই শব্দ আৰু ভাষাত পৰিণত হয়। এবছৰ পিছৰ পৰাই দুই এটা শব্দ শুনা যায়। পৰৱৰ্তীকালত শব্দৰ সংখ্যা বৃদ্ধি হৈ বাক্য প্ৰয়োগ কৰিব পৰা যায়। পাঁচ বছৰ বয়সৰ ভিতৰত কথিত ভাষা আয়ত্ব কৰিবলৈ শিকে। সাধাৰণতে পিতৃ-মাতৃ পৰিয়ালৰ অন্যান্য ল'ৰা-ছোৱালী আৰু আত্মীয় স্বজনৰ মাত-কথা শুনি শিশুৱে ভাষা আয়ত্ব কৰে।

৫। সংবেদনাত্মক বিকাশ (Sensory development) ঃ নৱজাত শিশুৱে দৈহিক পৰিৱেশৰ প্ৰতি উপযুক্ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব নোৱাৰে। এমাহ-দেৰমাহৰ ভিতৰত শিশুৱে পৰিৱেশৰ প্ৰতি অৰ্থপূৰ্ণ সঁহাৰি জনাব পাৰে। কাৰণ তেতিয়া শিশুৱে সংবেদন অনুভূতিৰ বিকাশ লাভ কৰে। বিশেষকৈ দৃষ্টি, শ্ৰৱণ আৰু স্পৰ্শ অনুভূতিৰ যোগেদি শিশুৱে পৰিৱেশৰ পৰা জ্ঞান আয়ত্ব কৰে।

৬। কৌতুহল পৰায়ণতা (Curiosity) ঃ চাৰিওফালৰ পৰিৱেশ শিশুৱে ভালদৰে চাবলৈ আৰু জানিবলৈ আগ্ৰহান্বিত হৈ উঠে। ফলত এক অস্থিৰ আৰু চঞ্চল মনেৰে সিহঁতে বহুতো যুক্তি-অযুক্তিকৰ প্ৰশ্ন সুধি ডাঙৰক ব্যতিব্যস্ত কৰি তোলে। শৈশৱৰ এই সময়ক "প্ৰশ্ন সোধাৰ বয়স" বোলা হ'য়। ডাঙৰেও শিশুৰ সকলো প্ৰশ্নৰ উত্তৰ পাৰ্যমানে দিব লাগে। ইয়াৰ জৰিয়তে শিশুৰ মানসিক তথা বৌদ্ধিক বিকাশ সাধন হ'য়।

DAILY ASSAM



**৭। কল্পনা-প্ৰৱণতা (Imagination) ঃ** শিশু সাধাৰণতে কল্পনাপ্ৰিয়। কল্পনা ৰাজ্যত বিচৰণ কৰি শিশুৱে আনন্দ পায়। কিন্তু অতিমাত্ৰা কল্পনা প্ৰৱণতাই শিশুক বাস্তৱ আৰু কল্পনাৰ মাজত থকা প্ৰভেদক খেলিমেলি লগাই দিয়ে।

**৮। অনুকৰণপ্ৰিয়তা (Imitativeness) ঃ** শিশু অনুকৰণপ্ৰিয়। এই অনুকৰণপ্ৰিয়তাৰ বাবে সিহঁতে পিতৃ-মাতৃ আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ পৰা ভাষা, খোৱা-বোৱা, পিন্ধা-উৰা আদি শিকে। সকলো কথাতে শিশুৱে ডাঙৰক অনুকৰণ কৰে।

**৯। সৰ্বপ্ৰাণবাদিতা (Animism) ঃ** শিশুৱে সজীৱ প্ৰাণীৰ দৰে সকলো নিৰ্জীৱ বস্তুতে প্ৰাণ থকা বুলি ভাৱে। এই ধাৰণাৰ বশৱৰ্তী হৈ শিশুৱে সজীৱতা আৰু নিৰ্জীৱতাৰ মাজত থকা পাৰ্থক্য বিবেচনা কৰিব নোৱাৰে। সিহঁতৰ মতে নিৰ্জীৱ বস্তুৱো যেন ফুৰা-চকা, সুখ-দুখ আদি অনুভৱ কৰিব পাৰে। উদাহৰণস্বৰূপে ক'ব পাৰি যে শিশুৱে যেতিয়া মাটিত পৰি দুখ পায়, তেতিয়া কান্দি উঠে। যদি কোনোৱাই মাটিখিনিক জগৰীয়া কৰি প্ৰহাৰ কৰে, তেতিয়া প্ৰতিশোধ লোৱা বুলি ভাবি সন্তোষ পায়।

**১০। প্ৰবৃত্তিমূলক প্ৰৱণতা (Instinctive tendency) ঃ** শিশুৰ আচৰণ সাধাৰণতে প্ৰবৃত্তি পৰিচালিত হয়। দৈহিক প্ৰয়োজন পূৰণে শিশুৰ আনন্দ আৰু ইয়াৰ ব্যৰ্থতাই দুখ দিয়ে। শিশুৰ আৱেগ অনুভূতিবোৰো ক্ষন্তেকীয়া। দৈহিক পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে সুখ-দুখৰ অনুভূতিৰো ক্ষিপ্ৰ পৰিৱৰ্তন ঘটে।

**১১। আত্মকাম প্ৰৱণতা (Narcissism)ঃ** শিশুৰ যৌন চেতনা থকা বুলি মনোবিজ্ঞানী-সকলে কয়। যৌন পৰিতৃপ্তিৰ এই প্ৰক্ৰিয়াক আত্মকাম বোলে। নিজহাত আৰু ভৰিৰ আঙুলি মুখত ভৰাই, কোমল বস্তু মুখলৈ নি, প্ৰচাৰ কৰি শিশুই যৌন সম্ভোগ লাভ কৰে। মনো-বিশ্লেষণকাৰী ফ্ৰয়েদৰ (Freud) মতে শিশুৰ যৌন অনুভূতিৰ উপায় হৈছে মুখ সম্বন্ধীয় (oral), মলদ্বাৰ (anal) সম্বন্ধীয় আৰু অনুভূতি সম্বন্ধীয় (skin sensation)।

**১২। আত্মকেন্দ্ৰিকতা (Ego-centricism) ঃ** শৈশৱকালত শিশু অত্যন্ত আত্মকেন্দ্ৰিক মনোভাৱাপন্ন হয়। নিজস্বাৰ্থ আৰু প্ৰয়োজনপূৰণ হোৱাটোত শিশুৱে সৰ্বাধিক গুৰুত্ব দিয়ে। আনৰ বাবে ত্যাগ কৰিব নিবিচাৰে। সেইবাবে বহু সময়ত নিজৰ ভাই-ভনীৰ মাজত খোৱা বা খেলা বস্তুলৈ কাজিয়া কৰা দেখা যায়।

**শিশুৰ দেহ-মানসিক প্ৰয়োজন (Psycho-physical needs of the infants)ঃ**

শিশুৰ দেহ-মানসিক প্ৰয়োজনবোৰৰ প্ৰতি বিশেষভাৱে মন দিব লাগে। এই প্ৰয়োজনবোৰ পূৰণৰ ওপৰতে শিশুৰ সুস্থ বিকাশ নিৰ্ভৰ কৰে। তলত এই প্ৰয়োজনবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

**১। দৈহিক আদৰ-যত্নৰ প্ৰয়োজন (Need of physical care) ঃ** মানুহ জীৱ শ্ৰেষ্ঠ প্ৰাণী হ'লেও জন্মৰ পিছতে নিজে একো কৰিব নোৱাৰে। অন্যান্য জীৱ-জন্তুৰ তুলনাত মানৱ শিশু ডাঙৰ হওঁতে বা আত্মনিৰ্ভৰশীল হওঁতে বেছি সময়ৰ দৰকাৰ। মানৱ শিশু দৈহিকভাৱে পৰনিৰ্ভৰশীল বাবে দৈহিক আদৰ-যত্নৰ প্ৰয়োজন। শিশুৰ খোৱা-পিন্ধা, স্বাস্থ্য ৰক্ষা আদি সকলো ক্ষেত্ৰতে মাক-দেউতাক বা পৰিয়ালৰ অন্যান্য লোকসকলে যত্ন কৰিবলগীয়া হয়। মাতৃ-দুগ্ধ কেঁচুৱাৰ বাবে বৰ উপকাৰী, অন্যান্য পুষ্টিকৰ খাদ্য, টোপনি, ৰোগ-ব্যাধি নিৰাময়ৰ প্ৰতি মাকে সদা সচেতন হ'ব লাগে। কাৰণ প্ৰথম অৱস্থাতে শিশুৱে মাকৰ সান্নিধ্য লাভ কৰে। সেইবাবে দৈহিক অভাৱ পূৰণত মাকৰ ভূমিকা অপৰিসীম।

**২। খেলা-ধূলাৰ প্ৰয়োজন (Need of play) ঃ** খেলাৰ জৰিয়তে শিশুৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, আৱেগিক আদি দিশৰ উৎকৰ্ষ সাধন হয়। শিশুৰ অংগ সঞ্চালন ক্ষমতা, ৰক্ত সঞ্চালন ক্ৰিয়া, পৰিপাক যন্ত্ৰৰ ক্ৰিয়া, আদি খেলাৰ জৰিয়তে যথাযথভাৱে চালিত হৈ দৈহিক বিকাশক সহায় কৰে। খেলাই শিশুক পৰমানন্দ দিয়া। সেই বাবে শিশুৱে বেছিভাগ সময় খেলিয়েই কটায়। খেলাৰ জৰিয়তে বৌদ্ধিক বিকাশ ঘটে। ই মানসিক তৃপ্তি দান কৰে। আবেগ অনুভূতি খেলাৰ জৰিয়তে প্ৰকাশ পায়।

**৩। মৰমৰ প্ৰয়োজন (Need of love) ঃ** শিশুই সকলোৰে পৰা মৰম বিচাৰে। মৰম ভালপোৱা আদিয়ে শিশুক মানসিক আৰু আৱেগিক দিশত সহায় কৰে। মৰম-চেনেহৰ জৰিয়তে সকলো কামতে সিহঁতৰ উৎসাহ, উদ্দীপনা বৃদ্ধি হয়। মনলৈ সাহস আহে। মৰমৰ অভাৱত শিশুৱে নিজকো অৱহেলিত বা অৱাঞ্ছিত ব্যক্তি হিচাপে গণ্য কৰে। ফলত কিছুমানে মানসিক ৰোগী বা অপৰাধী ব্যক্তিত পৰিণত হ'ব পাৰে।

**৪। নিৰাপত্তাৰ প্ৰয়োজন (Need of security)ঃ** শিশুই পৰিয়ালৰ মাজত ডাঙৰ-দীঘল হয় আৰু দৈহিক আৰু মানসিকভাৱে নিজকে নিৰাপদ বুলি ভাৱে। বিপদ-আপদৰ সময়ত ডাঙৰৰ পৰা সহায়-সহানুভূতি বিচাৰে। সহায়-সহানুভূতিৰ নিশ্চয়তা পালে মনৰ পৰা ভয় আঁতৰে আৰু সাহস বৃদ্ধি হয়। সকলো কামতে আগবাঢ়ি যাবলৈ প্ৰেৰণা পায়।

**৫। মৰ্যাদাৰ প্ৰয়োজন (Need of status) ঃ** শিশু সৰু যদিও মৰ্যাদাৰ প্ৰতি সদা সচেতন। আত্মকেন্দ্ৰিক মনোভাৱৰ শিশুৱে নিজকে নিজে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিব বিচাৰে। পৰিয়ালৰ মাজত খোৱা-পিন্ধা আদি সকলোতে শিশুই নিজ পছন্দমতে চলিব বিচাৰে। কিবা কাম কৰিলে প্ৰশংসা, স্বীকৃতি আদি পাবলৈ বিচাৰে। ইয়াৰ ব্যতিক্ৰম হ'লে শিশু ক্ষুণ্ণ হৈ পৰে। কাৰণ শিশুৰ বিচাৰ-বিবেচনাৰ জ্ঞান নাথাকে। ডাঙৰে সিহঁতক পাৰ্যমানে মৰ্যাদা দিব লাগে যাতে সিহঁতৰ ব্যক্তিত্ব বিকাশত সহায় হয়।

DAILY ASSAM



**৬। স্বাধীনতাৰ প্ৰয়োজন (Need of freedom)** ঃ শিশু স্বাধীন মনৰ বাবে সিহঁতৰ প্ৰকৃতিত মুক্ত ধাৰণাই বিশেষভাৱে ঠাই লয়। আনৰ শাসন, আৰু নীতি-নিয়মৰ মাজত থাকি শিশুৱে ভাল নাপায়। 'কান্দিয়েই ৰণ জিকা' স্বভাৱ শিশুৰ ক্ষেত্ৰত বিৰাজমান। শিশুৰ পছন্দৰ অলপ ব্যতিক্ৰম হ'লেই কান্দি উঠে বা বয়বস্তু দলিয়াই বিক্ষোপ প্ৰদৰ্শন কৰে। শিশুক পাৰ্যমানে স্বাধীনতা দিব লাগে। শিক্ষাবিদ তথা মনোবিদসকলেও শিশু শিক্ষাত স্বাধীনতাৰ গুৰুত্ব উপলব্ধি কৰি আহিছে।

**৭। কৌতুহল পূৰণৰ প্ৰয়োজন (Need of satisfying curiosity)** ঃ শিশু কৌতুহলী মনৰ হোৱা বাবে তাৰ চাৰিওফালৰ বস্তু, বিষয়, পৰিস্থিতি আদিক জানিবলৈ ব্যগ্ৰ হৈ পৰে। এই ক্ষেত্ৰত শিশুই ডাঙৰক নানা প্ৰশ্ন সুধি ব্যতিব্যস্ত কৰি তোলে। ডাঙৰেও ধৈৰ্য সহকাৰে শিশুৰ কৌতুহল পূৰণ কৰিব লাগে। কাৰণ শিশুৰ মানসিক আৰু বৌদ্ধিক দিশত ই সহায় কৰে। ইয়াৰ অন্যথাই শিশুৰ জনাৰ আগ্ৰহবোৰ কলিতে বিনাশ হ'ব।

## শিশুৰ বিকাশত গৃহ পৰিৱেশৰ প্ৰভাৱ (Influence of home on child's development) ঃ

জীৱনৰ প্ৰথম স্তৰতে শিশুৱে গৃহ পৰিৱেশৰ সান্নিধ্য লাভ কৰে। গৃহ পৰিৱেশৰ সুস্থ প্ৰভাৱে শিশুৰ সৰ্বদিশৰ বিকাশত সহায় কৰে। শিশুৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিভিন্ন দিশসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

**১। দৈহিক প্ৰভাৱ (Physical influence)** ঃ জন্মৰ পিছতে শিশুৱে মাতৃ-দুগ্ধ পান কৰিবলগীয়াত পৰে। মাকৰ গাখীৰ শিশুৰ বাবে বৰ পুষ্টিকৰ। ই শিশুক নানা বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰে। তাৰোপৰি শিশুটিৰ দৈহিক আদৰ-যত্ন পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন লোকসকলে কৰিলেহে সম্পূৰ্ণভাৱে দৈহিক স্বাস্থ্য ৰক্ষা হয়।

**২। আৱেগিক প্ৰভাৱ (Emotional influence)ঃ** গৃহ পৰিৱেশৰ জড়িয়তে শিশুৰ আৱেগিক জীৱন গঢ় লৈ উঠে। মাক-দেউতাক, ককা-আইতা আৰু পৰিয়ালৰ অন্যান্য লোকসকলৰ পৰা পোৱা মৰম-চেনেহ, আন্তৰিকতা আদিয়ে শিশুক আৱেগিক নিৰাপত্তা প্ৰদান কৰে। এইবোৰে শিশুক সাহসী আৰু আত্মবিশ্বাসী হোৱাত সহায় কৰে। ইয়াৰ অবিহনে শিশু অসামাজিক, হীনমান্য আৰু মানসিকভাৱে ৰোগগ্ৰস্ত হ'ব পাৰে।

**৩। সাংস্কৃতিক প্ৰভাৱ (Cultural influence)ঃ** মানুহ সামাজিকভাৱে বাস কৰে। সমাজৰ ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস আদি এচাম পুৰুষৰ পৰা আন এচামলৈ গতি কৰে। পৰিয়ালৰ ভাষা, ধৰ্ম, সংস্কৃতি আদিও সেইদৰে উত্তৰ পুৰুষলৈ গতি কৰে। পৰিয়ালৰ জৰিয়তে এইবোৰ সংৰক্ষণ হয়। শিশুই দেখি-শুনি এইবোৰ আয়ত্ব কৰে।

৪। **বৈষয়িক প্ৰভাৱ (Influence of material condition) ঃ** শিশুক দেহ-মনৰ ওপৰত বৈষয়িক দিশৰ প্ৰভাৱ পৰে। দেহ-মনৰ উৎকৰ্ষ সাধন কৰিবলৈ হ'লে কিছুমান যাৱতীয় বয়-বস্তুৰ দৰকাৰ। অৱস্থাপন্ন পৰিয়ালৰ ঘৰখনত শিশুৱে খোৱা-পিন্ধা খেলা-ধূলা আদি দৰকাৰী সকলো বস্তু পাব পাৰে। শিশুৰ দেহ-মানসিক প্ৰয়োজনত এইবোৰে সহায় কৰাৰ উপৰিও বৌদ্ধিক আৰু আৱেগিক বিকাশতো সহায় কৰে। আনহাতে বৈষয়িক দিশত অভাৱগ্ৰস্ত পৰিয়ালৰ শিশুটিৰ এইবোৰ বিকাশত বাধা আহিব পাৰে।

৫। **নৈতিক প্ৰভাৱ (Moral influence) ঃ** শিশুৰ জীৱনৰ মানদণ্ড বজাই ৰখাত পৰিয়ালে সহায় কৰে। পৰিয়ালৰ লোকৰ ক্ৰিয়া আচৰণৰ ন্যায়-অন্যায়, পাপ-পুণ্য, উচিত-অনুচিত আদি বিচাৰ-বিবেচনাৰ প্ৰভাৱ শিশুৰ ওপৰতো পৰে। কাৰণ এইবোৰ দেখি-শুনি শিশুৱে ডাঙৰক অনুকৰণ কৰে।

৬। **অনুশাসনৰ প্ৰভাৱ (Influence of discipline) ঃ** মানৱ জীৱনৰ সকলো কাম সুচাৰুৰূপে চলাবলৈ হ'লে অনুশাসনৰ ব্যৱস্থা সৰুকালৰে পৰা ভালদৰে গঢ়ি তুলিব লাগিব। পৰিয়ালৰ দৈনন্দিন ক্ৰিয়া আচৰণবোৰত ৰক্ষা কৰি চলা সময়ানুবৰ্তিতা, নিয়মানুবৰ্তিতা, শৃংখলাবৰ্তিতা আদিৰ অৱস্থাই শিশুৰ মনত আনুগত্য আৰু অনুশাসনৰ মনোভাৱ গঢ়ি তোলে। নিয়মিতভাৱে শোৱা-উঠা, খোৱা-পিন্ধা, চাফ-চিকুণতা ৰক্ষা কৰি চলা, আচৰণ-ব্যৱস্থাৰ সুন্দৰ ৰূপত গঢ় দি তোলা আদি স্বভাৱে শিশুক অনুশাসনৰ ক্ষেত্ৰত সহায় কৰে। অনুশাসনহীনতাই বিশৃংখল জীৱন-যাপনৰ প্ৰৱণতা জগাই তোলে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ঘৰখনেই শিশুৰ বিকাশৰ প্ৰধান ঠাই। গৃহ-পৰিৱেশৰ সুস্থ প্ৰভাৱে শিশুক সুন্দৰ জীৱন-যাপনত সহায় কৰে।

### শৈশৱকালৰ শিক্ষা ব্যৱস্থা (Educational provision for infancy) ঃ

শৈশৱকাল জীৱনৰ প্ৰথম স্তৰ। এই সময়ত শিশুৰ দৈহিক, মানসিক, আৱেগিক আদি বিকাশ সাধন হয়। শিশুৰ বিকাশ আৰু দেহ-মানসিক প্ৰয়োজনবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। শিশুৰ শিক্ষা-ব্যৱস্থা সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হ'ল।

১। শিশুৰ সুপ্ত প্ৰতিভা বিকাশৰ প্ৰতি নজৰ দিব লাগে।

২। শিক্ষাৰ ক্ষেত্ৰত সুস্থ আৰু শান্তিৰ পৰিৱেশ গঢ়ি তুলিব লাগে।

৩। খেলা-ধূলা, নাচ-গান আদিত গুৰুত্ব দিব লাগে। কাৰণ খেলা-ধূলা, নাচ-গানে শিশুক আনন্দ দিয়ে। ইয়াৰ জৰিয়তে শিশুৰ শাৰীৰিক আৰু মানসিক দিশত উৎকৰ্ষ সাধন হয়।

DAILY ASSAM



৪। পিতৃ-মাতৃ আৰু শিক্ষকসকলে শিশুৰ বাবে লাগতিয়াল যত্ন লব লাগে যাতে শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক, নৈতিক আদি দিশত উন্নতি হয়।

৫। শিশুৰ আশা-আকাংক্ষা, ৰুচি-অভিৰুচি আদি পূৰণ কৰিবলৈ যত্ন কৰিব লাগে। অৱশ্যে এইবোৰ সুপথে পৰিচালিত হোৱাটোত গুৰুত্ব দিব লাগে।

৬। শিশুৰ চিন্তা-ভাৱনা, কল্পনা শক্তিৰ বিকাশত গুৰুত্ব দিব লাগে।

৭। শিশুক মাতৃভাষাত প্ৰথমে শিক্ষা দিব লাগে। কাৰণ এইসময়ত শিশুৱে আয়ত্ব কৰিবলৈ শিকে মাথোন।

৮। শিশুৱে চাৰিওফালৰ পৰিৱেশৰ সকলো স্তৰৰ বিষয়ে জানিবলৈ ইচ্ছা কৰে। সেইবাবে সিহঁতৰ কৌতুহল পূৰাবলৈ পাৰ্যমানে যত্ন কৰিব লাগে।

৯। শিশুক পৰিস্কাৰ-পৰিচন্নতাৰ বিষয়ে শিকাব লাগে।

মনত ৰাখিবলগীয়া

- শৈশৱকাল ঃ
  সাধাৰণতে জন্মৰ পৰা ৫ বছৰ বয়সৰ সময়ছোৱাক শৈশৱকাল বোলে।
- শৈশৱৰ দেহ-মানসিক বিকাশৰ বৈশিষ্ট্যবোৰ হৈছে — (১) দ্ৰুত দৈহিক বিকাশ, (২) পৰনিৰ্ভৰশীলতা, (৩) ক্ৰীড়া প্ৰৱণতা, (৪) ভাষাৰ বিকাশ, (৫) সংবেদনাত্মক বিকাশ, (৬) কৌতুহল পৰায়ণতা, (৭) কল্পনা-প্ৰৱণতা, (৮) অনুকৰণপ্ৰিয়তা, (৯) সৰ্বপ্ৰাণৱাদিতা, (১০) প্ৰবৃত্তিমূলক প্ৰৱণতা, (১১) আত্মকাম প্ৰৱণতা আৰু (১২) আত্মকেন্দ্ৰিকতা।
- শিশুৰ দেহ-মানসিক প্ৰয়োজনবোৰ হৈছে — (১) দৈহিক আদৰ-যত্নৰ প্ৰয়োজন, (২) খেলা-ধূলাৰ প্ৰয়োজন, (৩) মৰমৰ প্ৰয়োজন, (৪) নিৰাপত্তাৰ প্ৰয়োজন, (৫) মৰ্য্যাদাৰ প্ৰয়োজন, (৬) স্বাধীনতাৰ প্ৰয়োজন আৰু (৭) কৌতুহলৰ প্ৰয়োজন।
- শিশুৰ বিকাশত গৃহ-পৰিৱেশৰ প্ৰভাৱবোৰ হৈছে — (১) দৈহিক প্ৰভাৱ, (২) আৱেগিক প্ৰভাৱ, (৩) সাংস্কৃতিক প্ৰভাৱ, (৪) বৈষয়িক প্ৰভাৱ, (৫) নৈতিক প্ৰভাৱ আৰু (৬) অনুশাসনৰ প্ৰভাৱ।
- শৈশৱকালৰ শিক্ষা-ব্যৱস্থা ঃ
  শিশুৰ দেহ-মানসিক বিকাশৰ বৈশিষ্ট্য আৰু প্ৰয়োজনবোৰৰ প্ৰতি নজৰ ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে।

(গ) বাল্যকাল (Childhood)

বাল্যকাল কাক বোলে?

বাল্যকাল ব্যক্তি বিকাশৰ দ্বিতীয় স্তৰ। সাধাৰণতে ৬ বছৰ বয়সৰ পৰা ১২ বছৰ বয়সৰ এই সময়ছোৱাক বাল্যকাল বোলে। বাল্যকালক দুটা ভাগত ভাগ কৰিব পাৰি। এই দুটা ভাগ হৈছে — আগতীয়া বাল্যকাল আৰু শেহতীয়া বা পিছৰ বাল্যকাল। ৬ বছৰৰ পৰা ৮ বছৰ বয়সলৈ আগতীয়া বাল্যকাল আৰু ৯ বছৰৰ পৰা ১২ বছৰ বয়সলৈ শেহতীয়া বাল্যকাল হিচাপে ধৰা হয়। সাধাৰণতে বাল্যকালক 'বিদ্যালয় শিক্ষাৰ বয়স' (Schooling age) বুলি কোৱা হয়। কাৰণ শিশুৱে এই সময়খিনিত পঢ়িবলৈ আৰু লিখিবলৈ সক্ষম হয়।

**বাল্যকালৰ বৈশিষ্ট্যসমূহ (Characteristics of childhood) :**

বাল্যকালৰ বৈশিষ্ট্যসমূহ তলত দিয়া হ'ল।

**১। দৈহিক বিকাশ (Physical development) :** এই সময়ত শিশুৰ দৈহিক বিকাশৰ গতি শৈশৱৰ তুলনাত কিছু মন্থৰ হয় যদিও বাল্যকালৰ শেষৰ ছোৱাত অৰ্থাৎ ১১/১২ বছৰ বয়সত পুণৰ ক্ষিপ্ৰ গতিত দৈহিক বিকাশ হয়। উচ্চতা আৰু ওজন বাঢ়ে। শিশুৰ পেশী সঞ্চালন ক্ষমতা বৃদ্ধি হয়। ফলত শিশুৱে বিভিন্ন ধৰণৰ শৰীৰ সঞ্চালনমূলক ক্ৰিয়া-কলাপৰ প্ৰতি বেছি আকৰ্ষিত হয়। দৌৰা-জপিওৱা আদি খেলাৰ যোগেদি আনন্দ লাভ কৰে।

**২। বৌদ্ধিক বিকাশ (Intellectual development) :** এই সময়ত ল'ৰা-ছোৱালীৰ বৌদ্ধিক বিকাশ সাধন হয়। মানসিক বিকাশ বৃদ্ধি হোৱাৰ ফলত বৌদ্ধিক দিশত উন্নতি হয়। স্মৃতি, মনোযোগ, গঠনাত্মক কল্পনা, চিন্তা আদি মানসিক শক্তিবোৰৰ ক্ষমতা অৰ্জন কৰে।

**৩। শিক্ষা আহৰণৰ ক্ষমতা (Capacity to learn) :** বাল্যকাল প্ৰাথমিক শিক্ষাৰ বাবে উপযুক্ত সময়। এই সময়ত শিশুৱে লিখা, পঢ়া, আৰু গণনা কৰিবলৈ সক্ষম হয়। স্কুলৰ প্ৰচলিত নীতি-নিয়ম, অনুশাসন আদি মানি চলিব পৰা হয়।

**৪। সামাজিক বিকাশ (Social development) :** এই স্তৰত শিশুৰ মনত সামাজিক চেতনাৰ ভাৱ গঢ়ি উঠে। বিদ্যালয়ৰ আন শিশুৰ লগত মিলা-মিছা কৰি মনৰ সুখ-দুখ প্ৰকাশ কৰিব পৰা হয়। খেলা-ধূলাৰ জৰিয়তে সমনীয়াৰ লগত সহযোগিতা, প্ৰতিযোগিতা আৰু বন্ধুত্বৰ ভাৱ গঢ়িবলৈ শিকে।

**৫। বহিৰ্মুখিতা (Extroversion) :** বাল্যকালত শিশু বহিৰ্মুখি হয়। এই সময়ত বাহিৰত খেলা-ধূলা, ফুৰা-চকা কৰি শিশুৱে ভাল পায়। ঘৰৰ পৰিৱেশ সংকীৰ্ণ বোধ কৰে।

**৬। দলীয় আনুগত্য (Gang loyalty) :** খেলা-ধূলাৰ বাবে ল'ৰা-ছোৱালীয়ে সাধাৰণতে দল

DAILY ASSAM



গঠন কৰে। দল পৰিচালনাৰ বাবে দলপতি নিৰ্বাচন কৰে। দলপতিৰ নিৰ্দেশত দল সংগঠিত আৰু পৰিচালিত হয়। দলীয় নীতি-নিয়ম আদি মানি নচলিলে দলৰ পৰা বহিস্কাৰ কৰাৰো নিয়ম থাকে। দলীয় আনুগত্যই গণতান্ত্রিক মনোভাৱৰ সৃষ্টি কৰে।

৭। ক্ৰীড়া-প্ৰৱণতা (**Playfulness**) ঃ বাল্যকালত ক্ৰীড়া-প্ৰৱণতাৰ ভাৱ জাগি উঠে। এই সময়ত বহিৰ্মুখী শিশুৱে শৈশৱকালৰ দৰে ঘৰত খেলা-ধূলা কৰাৰ পৰিবৰ্তে বাহিৰত খেলিহে বেছি আনন্দ পায়। এই সময়ৰ শিশুৰ ক্ৰীড়া-প্ৰৱণতাৰ বিশেষত্ব এয়ে যে ব্যক্তিগতভাৱে খেলাৰ পৰিবৰ্তে দলগতভাৱে খেলিব বিচাৰে।

৮। সমকামিতা (**Homosexuality**) ঃ বাল্যকালত ল'ৰাই ল'ৰাৰ প্ৰতি আৰু ছোৱালীয়ে ছোৱালীৰ প্ৰতি আকৰ্ষিত হৈ খেলা-ধূলাৰ মাজেৰে বন্ধুত্ব আৰু ভালপোৱা গঢ়ি তোলে। ইয়াকে সমকামিতা বোলে। বিপৰীত লিংগৰ প্ৰতি যৌন আকৰ্ষণ নাথাকে।

৯। আৰ্জিত অভিৰুচি (**Acquired interest**) ঃ বাল্যকালৰ শেষৰফালে কিছুমান নিৰ্দিষ্ট বিষয়ৰ প্ৰতি ল'ৰা-ছোৱালীৰ আগ্ৰহ আৰু অভিৰুচি জন্মে। শিশুৱে নাচ-গান, ছবি অঁকা আদিৰ প্ৰতি অনুৰাগী হৈ উঠে।

১০। সৃষ্টি প্ৰতিভাৰ বিকাশ (**Development of creative power**) ঃ বাল্যকালত সৃষ্টি প্ৰতিভাৰ বিকাশ হয়। প্ৰতিটো বিষয়ৰ যুক্তি-যুক্ততা তেওঁলোকে চাব পৰা হয়। শৈশৱৰ অন্ধ অনুকৰণপ্ৰিয়তা বাল্যকালত ক্ৰমে নিষ্ক্ৰিয় হৈ আহে। কলা, বিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰত নিজৰ সৃষ্টি প্ৰতিভাৰ পৰিচয় দিয়ে।

**বাল্যকালৰ বাবে শিক্ষা-ব্যৱস্থা (Educational provision for childhood) ঃ**

বাল্যকাল শিক্ষা আহৰণৰ সময়। বাল্যকালৰ বৈশিষ্ট্যবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ ব্যৱস্থা কৰাটো অতি দৰকাৰ। এই ক্ষেত্ৰত তলত দিয়া বিষয়বোৰৰ প্ৰতি গুৰুত্ব দিব লাগে।

১। বাল্যকালত শিশু বাস্তৱবাদী আৰু বহিৰ্মুখী হয়। গতিকে শিক্ষা-ব্যৱস্থাত বাস্তৱ অভিজ্ঞতা প্ৰদান কৰিব লাগে। সেয়েহে কামৰ মাজেদি দিয়া শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে।

২। বাল্যকালৰ শেষৰফালে অন্ধ অনুকৰণৰ মাত্ৰা কমি যোৱা বাবে যুক্তিৰে বিচাৰ-বিবেচনা কৰিব পৰা হয়। সেয়েহে নিজৰ বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি যাতে বিষয়বস্তু শিকিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। সৃজনী প্ৰতিভা বিকাশৰ বাবে ঘৰ আৰু বিদ্যালয়ে সুবিধা দিব লাগে।

৩। এই কালছোৱাত শক্তিশালী হৈ উঠা

প্ৰবৃত্তি বিলাকৰ উন্নতিকৰণৰ বাবে প্ৰয়োজনীয় কাৰ্যাৱলীৰ ব্যৱস্থা কৰিব লাগে।

৪। দলীয় আনুগত্যৰ প্ৰতি লক্ষ্য ৰাখি শিশুক দলগতভাৱে খেলা-ধূলা আৰু অন্যান্য কাম কৰিবলৈ সুবিধা দিব লাগে। ই তেওঁলোকৰ দৈহিক আৰু সামাজিক বিকাশত সহায় কৰে।

৫। স্বাস্থ্য ৰক্ষাৰ প্ৰাথমিক জ্ঞান এই স্তৰত দিব লাগে। চাফ-চিকুণৰ ওপৰত গুৰুত্ব দিব লাগে।

৬। ভ্ৰমণসূচী আয়োজন কৰি বহিৰ্মুখী শিশুক পাৰিপাৰ্শ্বিক জগতখনৰ বহু বস্তু বা বিষয় দেখুৱাব লাগে। পাৰ্যমানে তেওঁলোকৰ কৌতুহল পূৰণ কৰিবৰ বাবে যত্ন কৰিব লাগে।

৭। বাল্যকালত সমকামিতা ভাৱ দেখা যায় বাবে সহ-শিক্ষা দিলে একো অসুবিধাৰ সৃষ্টি নহয়। কাৰণ ই ল'ৰা-ছোৱালীৰ মাজত যৌন সমস্যাৰ সৃষ্টি নকৰে।

৮। ল'ৰা-ছোৱালীক নিজৰ আগ্ৰহ-অভিৰুচি মতে শিক্ষা দিব লাগে। শিক্ষকসকলে বুজা-পৰা আৰু মৰম-চেনেহৰ মাজেদি শিক্ষা দিব লাগে।

## (ঘ) কৈশোৰকাল

### কৈশোৰকাল কাক বোলে?

সাধাৰণতে ১২ বছৰৰ পৰা ১৮ বছৰলৈকে এই সময়ছোৱাক কৈশোৰ কাল বোলে। কৈশোৰকালক ইংৰাজীত 'Adolescence' বোলে। এই'Adolescence' শব্দটো লেটিন শব্দ

**মনত ৰাখিবলগীয়া**

- বাল্যকাল ঃ
  সাধাৰণতে ৬ বছৰ বয়সৰ পৰা ১২ বছৰ বয়সৰ সময়ছোৱাক বাল্যকাল বোলে। ই দুটা ভাগত বিভক্ত — আগতীয়া বাল্যকাল ( ৬ ৰ পৰা ৮ বছৰ বয়সলৈ) আৰু শেষতীয়া বাল্যকাল (৯ বছৰৰ পৰা ১২ বছৰলৈ)
- বাল্যকালৰ বৈশিষ্ট্যসমূহ হৈছে — (১) দৈহিক বিকাশ, (২) বৌদ্ধিক বিকাশ, (৩) শিক্ষা আহৰণৰ ক্ষমতা, (৪) সামাজিক বিকাশ, (৫) বহিৰ্মুখিতা, (৬) দলীয় আনুগত্য, (৭) ক্ৰীড়া প্ৰৱণতা, (৮) সমকামিতা আৰু (৯) সৃষ্টি প্ৰতিভাৰ বিকাশ।
- বাল্যকালৰ বাবে শিক্ষা-ব্যৱস্থা ঃ
  বাল্যকাল শিক্ষা আহৰণৰ সময়। বাল্যকালৰ বৈশিষ্ট্যবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ ব্যৱস্থা কৰাটো দৰকাৰ।

DAILY ASSAM



'Adolescere' শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ 'to grow' অৰ্থাৎ বৰ্দ্ধন হোৱা। এই কালছোৱা দ্ৰুত দৈহিক বৃদ্ধিৰ সময়। এই সময়ত শৰীৰৰ অংগ-প্ৰত্যংগবোৰ বৃদ্ধি আৰু বলৱান হৈ উঠে। যৌন গ্ৰন্থিবোৰ সক্ৰিয় হয়। ল'ৰা-ছোৱালীয়ে প্ৰজননিক ক্ষমতা লাভ কৰে। বিপৰীত লিংগকামিতা এই সময়ৰ বিশেষ লক্ষণ। ল'ৰাৰ ক্ষেত্ৰত বীৰ্য্য ধাৰণ ক্ষমতা, স্বপ্নদোষ, স্বৰভংগ আদি হয়। ছোৱালী ঋতুমতী হয়। ল'ৰাই পৌৰুষত্ব আৰু ছোৱালীয়ে নাৰীত্ব লাভ কৰে। মনোবিজ্ঞানীসকলে এই কালছোৱা জীৱনৰ জটিল তথা সংকটপূৰ্ণ কাল বুলি কৈছে। আমেৰিকাৰ চিন্তাবিদ ষ্টেন্‌লি হ'লে (Stanley Hall) কৈশোৰকালক ধুমুহা আৰু পীড়নৰ (Storm and stress) সময় বুলি কৈছে। ল'ৰা-ছোৱালীৰ দৈহিক, মানসিক, আৱেগিক, যৌন জীৱনৰ অভিজ্ঞতা আদিয়ে এনে ধুমুহা আৰু পীড়াৰ সৃষ্টি কৰে। আৰ্নেষ্ট জোন্‌চে (Earnest Jones) কৈশোৰকালক শৈশৱৰ পুনৰাবৃত্তি বুলি অভিহিত কৰিছে। অৰ্থাৎ শৈশৱকালৰ দেহ-মানসিক বৈশিষ্ট্য কিছুমান এই স্তৰত পুনৰাবৃত্তি হোৱা দেখা যায়। কৈশোৰকালক বয়ঃসন্ধিকাল বুলিও কোৱা হয়।

**কৈশোৰকালৰ বৈশিষ্ট্যবোৰ (Characteristics of adolescence) ঃ**

কৈশোৰকালৰ বৈশিষ্ট্যবোৰ তলত দিয়া হ'ল।

**১। দৈহিক বিকাশ (Physical development) ঃ** কৈশোৰকালত দৈহিক বিকাশ ক্ষিপ্ৰ হয়। যৌৱনৰ আৰম্ভণিতে দেহৰ অন্তঃস্ৰাৱী গ্ৰন্থিসমূহ সক্ৰিয় হৈ উঠে। ফলত নানা দৈহিক পৰিৱৰ্তনে দেখা দিয়ে। দেহৰ আকাৰ, ওজন, উচ্চতা আদি বৃদ্ধি হয়। দেহৰ মাংসপেশী আৰু অস্থিসমূহ শকত আৰু পুৰঠ হয়। ল'ৰা আৰু ছোৱালীৰ দেহ গঠন আৰু যোগ্যতাৰ পাৰ্থক্য দেখা যায়। ল'ৰাৰ মাংসপেশী শক্তিশালী আৰু কৰ্মক্ষম হৈ উঠে। স্বৰধ্বনি কঠিন, কৰ্কশ আৰু গভীৰ হয়। মুখত দাড়ি-গোফ গজে। ছোৱালীৰ মাংসপেশী নিমজ আৰু কোমল হয়। কঠিন দৈহিক ক্ৰিয়াৰ বাবে অনুপযোগী হয়। স্বৰধ্বনি মিহি আৰু সুশ্ৰাব্য হয়। ল'ৰা-ছোৱালী উভয়ৰে নিৰ্দিষ্ট স্থানত যৌন কেশে দেখা দিয়ে। ছোৱালী ঋতুমতী আৰু ল'ৰা বীৰ্য্যধাৰী হৈ উঠে। পাকস্থলীৰ ক্ৰিয়া, ৰক্ত সঞ্চালন, ৰক্তচাপ আদি বৃদ্ধি পায়। ছোৱালীৰ ক্ষেত্ৰত যৌৱনপ্ৰাপ্তি সমবয়সৰ ল'ৰাতকৈ ১/২ বছৰমান আগবঢ়া দেখা যায়।

**২। মানসিক বিকাশ (Mental development) ঃ** কৈশোৰকালত মানসিক বিকাশ দ্ৰুত গতিত বৃদ্ধি হয়। বুদ্ধি-বৃত্তিৰ চৰম বিকাশ সাধন হয়। মস্তিষ্কৰ গঠন প্ৰায় সম্পূৰ্ণ আৰু পৰিপক্ক হোৱাৰ বাবে উচ্চস্তৰীয় জ্ঞান আৰু দক্ষতামূলক শিক্ষা লাভ কৰিবৰ বাবে এই সময়ছোৱা উপযুক্ত সময়। বিশেষ বিশেষ অধ্যয়নৰ প্ৰতি যুৱক-

যুৱতীৰ আগ্ৰহ বাঢ়ে। মনৰ বিশ্লেষণ আৰু সংশ্লেষণ ক্ষমতা গঢ়ি উঠে।

৩। আৱেগিক বিকাশ (**Emotional development**) ঃ কৈশোৰৰ আৱেগিক বিকাশ মনকৰিবলগীয়া। ভালপোৱা আৱেগে তেওঁলোকক অনুভূতিসম্পন্ন আৰু অন্ধ কৰি পেলায়। খং, ভয়, লজ্জা, বিৰক্তি বা ঘৃণা আদি আৱেগে কেতিয়াবা তেওঁলোকক অসামাজিক আৰু ধ্বসাংত্মক মনৰ কৰি তোলে। অনিয়ন্ত্ৰিত আৱেগৰ ফলত তেওঁলোকে কিছুমান কথাত বিদ্ৰোহী হৈ উঠে। বহু সময়ত তেওঁলোকৰ আৱেগে হতাশা, নিৰাশা, ভিৰুতা, লাজুকতা, বিষণ্ণতা, ভাৱ বিশিষ্টতা অৱস্থাৰ সৃষ্টি কৰে। কেতিয়াবা আৱেগে উগ্ৰ ৰূপ ধাৰণ কৰি অপৰাধ প্ৰৱণতা, উগ্ৰবাদিতা, বিচ্ছিন্নবাদিতা আদি সমস্যাৰো সৃষ্টি কৰে।

৪। সামাজিক সচেতনতা (**Social consciousness**) ঃ কিশোৰ-কিশোৰীসকল সমাজ সচেতন ব্যক্তি। সমাজৰ সকলো সমস্যা আৰু পৰিস্থিতিৰ প্ৰতি তেওঁলোক সংবেদনশীল আৰু প্ৰতিক্ৰিয়াশীল। তেওঁলোকে সমাজ উন্নয়নত অংশ গ্ৰহণ কৰে। সমাজৰ সমস্যাবোৰ সমাধানত আগভাগ লয়। সমাজৰ ৰীতি-নীতি, পৰম্পৰা, নিয়ম-কানুন, বিশ্বাস আদিৰ প্ৰতি তেওঁলোকে আনুগত্য প্ৰকাশৰ চেষ্টা কৰে। তেওঁলোকৰ মনত দেশপ্ৰেম জাগি উঠে।

৫। নৈতিক চেতনাবোধ (**Moral consciousness**) ঃ কিশোৰ-কিশোৰীৰ নৈতিক চেতনাবোধ জন্মে। শুদ্ধ-অশুদ্ধ, সত্য-অসত্য, পাপ-পূণ্য আদি নৈতিক চেতনাই তেওঁলোকৰ ভাৱ-অনুভূতি আৰু আচৰণ পৰিচালিত কৰে। সমাজৰ অন্যায় আৰু অনৈতিকতাৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ কৰে। ভগৱানৰ প্ৰতি বিশ্বাসী হয়।

৬। বিপৰীত লিংগকামিতা (**Hetero-Sexuality**) ঃ কৈশোৰৰ যৌন জীৱনক বিপৰীত লিংগকামিতা বোলা হয়। কাৰণ কিশোৰ-কিশোৰীয়ে বিপৰীত লিংগৰ প্ৰতি আকৃষ্ট হয়। অৰ্থাৎ ল'ৰাই ছোৱালী আৰু ছোৱালীয়ে ল'ৰাক ভালপায়। ছোৱালীয়ে নাৰীত্ব আৰু ল'ৰাই পৌৰুষত্ব লাভ কৰে।

৭। সৃষ্টিশীল কল্পনা (**Creative imagination**) ঃ কৈশোৰকালত সৃষ্টিশীল কল্পনাৰ জাগৰণ হয়। যৌৱনৰ প্লাৱনে কিশোৰ-কিশোৰীৰ মনত জন্ম দিয়ে নানা ৰঙৰ কল্পনা। কলা, সাহিত্য, বিজ্ঞান, আদিৰ মাধ্যমেৰে তেওঁলোকৰ সৃষ্টিশীল কল্পনাই আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হয়।

৮। বীৰ-পূজা প্ৰৱণতা (**Hero-worshiping tendency**) ঃ কিশোৰ-কিশোৰীয়ে ভৱিষ্যত জীৱনৰ বাবে নিজৰ ভাল লগা কোনো বীৰ-বীৰাঙ্গনা বা নায়ক-নায়িকাক জীৱনৰ আদৰ্শ হিচাপে বাচি লয়। তেনে মনোগ্ৰাহী ব্যক্তিৰ ভাৱ-

DAILY ASSAM



চিন্তা, ক্রিয়া আদি অনুকৰণ কৰি নিজৰ জীৱনকো তেনে ৰূপত গঢ় দিবলৈ বিচাৰে।

৯। দুঃসাহসিকতা (Spirit of adventure): কৈশোৰকালত দুঃসাহসিক প্ৰৱণতা জাগি উঠাৰ ফলত অসম্ভৱক সম্ভৱ কৰিবলৈ কিশোৰ-কিশোৰী আগ্রহী হয়। দৈহিক বলশক্তি, মানসিক দৃঢ়তা আৰু আত্মবিশ্বাসে তেওঁলোকক কামৰ প্রতি প্রেৰণা যোগায়। নৈ সাঁতোৰা, পর্বত বগোৱা আদি দুঃসাহসিক ক্রিয়াৰ দ্বাৰা তেওঁলোকে বীৰত্ব প্রদর্শনৰ চেষ্টা কৰে। নানা ঠাই ঘূৰি ফুৰিবলৈ ইচ্ছা কৰে।

১০। আত্মনির্ভৰশীলতা (Self-dependance): আত্মনির্ভৰশীলতা কৈশোৰকালৰ এটা দৰকাৰী বিশেষত্ব। সকলো কাম কৰাৰ বাবে নিজকে সক্ষম বুলি ভাৱি আত্মবিশ্বাসৰ ভাৱ জাগি উঠে। পৰিশ্ৰমৰ মূল্য বুজি উঠে। নিজৰ প্ৰাপ্য অধিকাৰ, স্থান, মান, স্বাধীনতাৰ প্ৰতি তেওঁলোক সচেতন হৈ উঠে। দমনমূলক আচৰণ তেওঁলোকে সহ্য কৰিব নোৱাৰে। সকলোৰে পৰা আত্মসন্মান পোৱাটো বিচাৰে।

**কৈশোৰৰ প্ৰয়োজনসমূহ (Needs of the adolescent):**

কৈশোৰৰ কিছুমান প্ৰয়োজন থাকে। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

১। দৈহিক প্ৰয়োজন (Physical need): কৈশোৰকালত দৈহিক বিকাশ যিহেতু ক্ষিপ্ৰতৰ হয় সেইহেতুকে বল শক্তি অটুট ৰাখিবলৈ পৰিমিত খাদ্যৰ দৰকাৰ। সুন্দৰ-সুঠাম দেহৰ বাবে শৰীৰ চৰ্চাৰ দৰকাৰ। সকলো সময়তে দেহৰ উপযোগী পোচাক-পৰিচ্ছদ পৰিধান কৰিব লাগে। চাফ-চিকুণৰ প্ৰতি গুৰুত্ব দিব লাগে।

২। যৌন প্ৰয়োজন (Sex need): কৈশোৰকালত ল'ৰা-ছোৱালীয়ে যৌন তৃপ্তি পূৰণৰ এক প্ৰৱল আগ্ৰহ অনুভৱ কৰে। সেইবাবে যৌন প্ৰবৃত্তি সুপথে পৰিচালিত কৰিবলৈ প্ৰয়োজনীয় যৌন শিক্ষা দিব লাগে।

৩। বৌদ্ধিক প্ৰয়োজন (Intellectual need): বৌদ্ধিক প্ৰয়োজন লাভ কৰাৰ বাবে কিশোৰ-কিশোৰীয়ে নতুন কথা বা নতুন নতুন জ্ঞান লাভ কৰিবলৈ ইচ্ছা কৰে। সকলোৱে তেওঁলোকৰ বৌদ্ধিক প্ৰয়োজনবোৰ পূৰণৰ যত্ন কৰিব লাগে।

৪। সামাজিক নিৰাপত্তাৰ প্ৰয়োজন (Need of social security): কিশোৰ-কিশোৰীৰ সামাজিক নিৰাপত্তাৰ প্ৰয়োজন আছে। কাৰণ তেওঁলোকে সমাজ অবিহনে চলিব নোৱাৰে। তেওঁলোকে দলবান্ধি থাকিবলৈ ভাল পায়। ডাঙৰৰ পৰা মৰম-চেনেহ, মনোযোগ আদি বিচাৰে।

৫। সামাজিক স্বীকৃতিৰ প্ৰয়োজন (Physical need): প্ৰশংসা, পুৰস্কাৰ, বটা আদিৰ জৰিয়তে কিশোৰ-কিশোৰীয়ে সামাজিক স্বীকৃতি বিচাৰে। কোনো কামত কৃতকাৰ্যতা লাভ কৰিবৰ বাবে উচ্চাকাংক্ষা কৰে আৰু জনসাধাৰণৰ পৰা প্ৰশংসিত হোৱাটো বিচাৰে।

৬। স্বাধীনতাৰ প্ৰয়োজন (Need of freedom)ঃ কিশোৰ-কিশোৰীয়ে স্বাধীনভাৱে কাম-কাজ কৰাৰ প্ৰয়োজন অনুভৱ কৰে। সেই বাবে অভিভাৱক আৰু শিক্ষকসকলে তেওঁলোকক কঠোৰ অনুশাসনত ৰাখিব নালাগে।

**কিশোৰ-কিশোৰীৰ সমস্যাসমূহ (Problems of adolescence) ঃ**

কিশোৰ-কিশোৰীয়ে সমস্যাৰ পৰা মুক্ত নহয়। কিশোৰকাল ধুমুহা আৰু পীড়নৰ সময় বুলি জনা যায়। তেওঁলোকৰ সমস্যাবোৰ কেৱল তেওঁলোকৰ বাবেই নহয়, সমাজৰ বাবেও সমস্যাৰূপে দেখা দিয়ে। কিশোৰৰ কিছুমান প্ৰধান সমস্যা তলত বৰ্ণনা কৰা হ'ল।

১। যৌন সমস্যা (Sex problem) ঃ কিশোৰৰ প্ৰধান সমস্যা হৈছে যৌন সমস্যা। যৌৱনে গচকা জীৱনত কিশোৰ-কিশোৰীয়ে আচহুৱা যৌন তাড়না অনুভৱ কৰে। ফলত ভয়, সংকোচ, লজ্জা, উদ্বেগ, গোপনীয়তা, অপৰাধপ্ৰৱণতা আদিৰ অসুস্থ মানসিকতাবোৰ গঢ়ি উঠে। কেতিয়াবা যৌন জীৱনৰ লগত সমাযোজন কৰাত কিশোৰ-কিশোৰীয়ে ব্যৰ্থ হয়। এনেবোৰ কাৰণৰ বাবে যৌন সমস্যাৰ সৃষ্টি হয়।

২। আৱেগিক সমস্যা (Emotional problem) ঃ কিশোৰকালত আৱেগ-অনুভূতি প্ৰৱল হয় যদিও এইবোৰৰ নিয়ন্ত্ৰণ ক্ষমতা নাথাকে। ফলত বিভিন্ন পৰিস্থিতিত তেওঁলোকে আৱেগিক নিয়ন্ত্ৰণ হেৰুৱাই ক্ৰোধ আৰু বিৰক্তিত হিংসাত্মক আৰু ধ্বংসাত্মক আচৰণ প্ৰদৰ্শণ কৰে। প্ৰেম-প্ৰীতি, আশা-নিৰাশা, উৎকণ্ঠা, ঈৰ্ষা আদিয়ে তেওঁলোকক আৱেগিক কৰি তোলে। সমাজৰ কিছুমান সমস্যা দেখিও তেওঁলোকে ক্ৰোধান্বিত হৈ উঠে। ফলত বিদ্ৰোহী ভাৱ জাগৰণ হয়।

৩। সামাজিক সমস্যা (Social problem) ঃ কিশোৰ-কিশোৰীয়ে সামাজিক স্বীকৃতি আৰু সামাজিক উন্নতি বিচাৰে। সমাজৰ প্ৰতি থকা তেওঁলোকৰ মনোভাৱ, আদৰ্শ আদি বয়স্কসকলৰ লগত নিমিলে। নতুন পুৰুষৰ মন সংস্কাৰ সাধনমুখী আৰু পুৰণি পুৰুষৰ মন সংৰক্ষণমুখী হৈ পৰে। অৰ্থাৎ সমাজৰ ৰীতি-নীতি, পৰম্পৰা, আদৰ্শ আদি পালনৰ ক্ষেত্ৰত ন-পুৰণিৰ মাজত সংঘাতৰ সৃষ্টি হয়। ফলত কিশোৰ-কিশোৰীৰ সামাজিক সমাযোজনত সমস্যা হৈ পৰে।

৪। শিক্ষা সমস্যা (Educational problem)ঃ কিশোৰকালত মাধ্যমিক শিক্ষা দিয়া হয়। এই শিক্ষাৰ লক্ষ্য উদ্দেশ্য, পাঠ্যক্ৰম, শিক্ষা, পদ্ধতি, মূল্যায়ন ব্যৱস্থা, দমনমূলক কঠোৰ অনুশাসন ব্যৱস্থা আদি কিশোৰ-কিশোৰীৰ বাবে উপযোগী নোহোৱা বাবে তেওঁলোকে এক হতাশজনক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। তাৰোপৰি বৃত্তিমুখী আৰু আজৰি সময়ৰ উপযুক্ত শিক্ষাৰ অভাৱে তেওঁলোকক নানা সমস্যাত পেলায়। গতানুগতিক তত্ত্বপ্ৰধান শিক্ষাই কিশোৰ-

DAILY ASSAM





কিশোৰীৰ মনৰ চাহিদা পূৰণ কৰিব নোৱাৰে। ফলত শিক্ষা এটা সমস্যাৰূপে দেখা যায়।

**৫। অৱসৰ সময়ৰ সমস্যা (Problem of leisure) ঃ** অৱসৰ সময় বিনোদন কৰিবলৈ কিশোৰ-কিশোৰীৰ বাবে উপযুক্ত শিক্ষা-ব্যৱস্থা নাই। তেওঁলোকৰ অফুৰন্ত শক্তি সামৰ্থবোৰ ভালদৰে ব্যৱহাৰ কৰিব নোৱাৰাৰ ফলত অথলে যায়। এনে অৱস্থাত তেওঁলোকে কেতিয়াবা অসামাজিক আৰু অপৰাধজনিত কাৰ্যকলাপত জড়িত হ'ব পাৰে।

**৬। অপৰাধপ্ৰৱণতাৰ সমস্যা (Problem of delinquency) ঃ** অপৰাধপ্ৰৱণতা কৈশোৰ-কালত এটা জলন্ত সমস্যা। অৱসৰ সময়ৰ সমস্যা, নিবনুৱা সমস্যা, মাদক দ্ৰব্য বা নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ, সমাজৰ নৈতিক অধঃপতন, নীতিবিহিন ৰাজনীতি, সহজলভ্য আৰু ক'লা ধণৰ হাবিয়াস, ক্ষমতাবলীয়া স্বভাৱ, আতঙ্কবাদ, অদৃষ্টবাদ আদি অশুভ শক্তিয়ে সমাজত অপৰাধপ্ৰৱণ পৰিৱেশৰ সৃষ্টি কৰে। কিশোৰ-কিশোৰীৰ ওপৰত এইবোৰে ৰাৰুকৈয়ে প্ৰভাৱ পেলায়। ফলত অপৰাধপ্ৰৱণতাৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰে।

### কিশোৰ-কিশোৰীৰ বাবে শিক্ষা-ব্যৱস্থা (Educational provision for the adolescents) ঃ

কিশোৰ-কিশোৰীৰ বৈশিষ্ট্য, প্ৰয়োজন আৰু সমস্যাবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে। তলত এই বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

১। কিশোৰ-কিশোৰীৰ আগ্ৰহ, অভিৰুচি, অভিক্ষমতা আদিৰ ভিন্নতা অনুযায়ী মাধ্যমিক স্কুলত অধিক স্বাধীনতা প্ৰদানেৰে নমনীয় আৰু বিভাজিত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

২। কৈশোৰকালত যুৱক-যুৱতীৰ শাৰীৰিক শক্তি বৃদ্ধি হয়। সেইবাবে স্কুলত বিভিন্ন ধৰণৰ খেলা-ধূলা, ব্যায়াম, যোগ আদিৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতি নজৰ ৰাখি শাৰীৰিক শিক্ষা প্ৰদান কৰিব লাগে।

৩। মাধ্যমিক শিক্ষাত বৃত্তিমুখী বিষয়বোৰ সন্নিবিষ্ট কৰিব লাগে। কিয়নো যিসকল ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ বাবে অনুপযোগী। তেওঁলোকে বৃত্তিমূলক বিষয়ৰ শিক্ষাৰ প্ৰতি অধিক আকৰ্ষিত হ'ব।

৪। ছাত্ৰ-ছাত্ৰীক শৈক্ষিক, বৃত্তীয় আৰু ব্যক্তিগত নিৰ্দেশনা দিব লাগে যাতে তেওঁলোকে বিপথে পৰিচালিত নহয় আৰু জীৱনৰ শুদ্ধ পথ বাচি লোৱাত সহায় হয়।

৫। অৱসৰ সময়ৰ সৎ ব্যৱহাৰৰ বিষয়ে শিক্ষা দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ মন পছন্দৰ বিষয় বা ভাললগা ক্ৰিয়া-কলাপত ব্যস্ত ৰাখিব লাগে। তাৰোপৰি স্কুলত সহ-পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

৬। কিছুমান কিশোৰ-কিশোৰীৰ মনত ভ্ৰমণ-তৃষ্ণা জাগি উঠে। নানা ঠাই চাবলৈ হেঁপাহ কৰে। তেওঁলোকৰ ভ্ৰমণ-তৃষ্ণা নিবাৰণৰ বাবে শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচীৰ ব্যৱস্থা কৰিব লাগে।

৭। কিশোৰ-কিশোৰীক যৌন শিক্ষা দিব লাগে। ইয়াৰ ফলত যৌন সম্বন্ধীয় ভুল-ধাৰণা আৰু সমস্যাবোৰ আঁতৰ হ'ব।

৮। ছাত্ৰ-ছাত্ৰীক সামাজিক ক্ৰিয়া-কলাপৰ জৰিয়তে সমাজ সচেতনতাৰ মনোভাৱ গঢ়ি তুলিব লাগে। ন্যায়, সমতা, বন্ধুত্ব, সহযোগিতা আদি গণতান্ত্ৰিক মূল্যবোধৰ শিক্ষা দিব লাগে।

৯। কিশোৰ-কিশোৰীক নেতৃত্বৰ শিক্ষা দিব লাগে। স্কাউট, গাইড, এন. চি. চি আদিৰ যোগেদি সমাজৰ প্ৰতি নেতৃত্ব, আনুগত্য আৰু অনুশাসনৰ মনোভাৱ গঢ়ি তুলিব লাগে।

১০। স্কুলবিলাকত জাতীয় সংহতি শিবিৰ, গ্ৰীষ্মকালীন শিবিৰ আদি স্থাপন কৰি কিশোৰ-কিশোৰীৰ মাজত আৱেগিক ঐক্য আৰু সংহতিৰ সৃষ্টি কৰিব লাগে।

মনত ৰাখিবলগীয়া

- কৈশোৰকাল ঃ
  সাধাৰণতে ১২ বছৰৰ পৰা ১৮ বছৰলৈকে এই সময়ছোৱাক কৈশোৰকাল বোলে।
- কৈশোৰকালৰ বৈশিষ্ট্যবোৰ হৈছে — (১) দৈহিক বিকাশ, (২) মানসিক বিকাশ, (৩) আৱেগিক বিকাশ, (৪) সামাজিক সচেতনতা, (৫) নৈতিক চেতনাবোধ, (৬) বিপৰীত লিংগকামিতা, (৭) সৃষ্টিশীল কল্পনা, (৮) বীৰ-পূজা প্ৰৱণতা, (৯) দুঃসাহসিকতা আৰু (১০) আত্মনিৰ্ভৰশীলতা।
- কৈশোৰকালৰ প্ৰয়োজনসমূহ হৈছে — (১) দৈহিক প্ৰয়োজন, (২) যৌন প্ৰয়োজন, (৩) বৌদ্ধিক প্ৰয়োজন, (৪) সামাজিক নিৰাপত্তাৰ প্ৰয়োজন, (৫) সামাজিক স্বীকৃতিৰ প্ৰয়োজন আৰু (৬) স্বাধীনতাৰ প্ৰয়োজন।
- কৈশোৰৰ সমস্যাসমূহ হৈছে — (১) যৌন সমস্যা, (২) আৱেগিক সমস্যা, (৩) সামাজিক সমস্যা, (৪) শিক্ষা সমস্যা, (৫) অৱসৰ সময়ৰ সমস্যা আৰু (৬) অপৰাধ প্ৰৱণতাৰ সমস্যা।
- কিশোৰ-কিশোৰীৰ বাবে শিক্ষা-ব্যৱস্থা ঃ
  কিশোৰ-কিশোৰীৰ বৈশিষ্ট্য, প্ৰয়োজন আৰু সমস্যাবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে।

DAILY ASSAM



## সাৰাংশ

বৃদ্ধি আৰু বিকাশ একে নহয়। ইহঁতৰ মাজত পাৰ্থক্য আছে। বিকাশৰ কিছুমান বিশেষ লক্ষণ দেখিবলৈ পোৱা যায়। বিকাশৰ স্তৰ আৰু সময়-সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত শিক্ষাবিদ আৰু চিন্তাবিদসকলৰ মাজত মত পাৰ্থক্য দেখা যায়। যাহওঁক, মানুহৰ বিকাশৰ স্তৰক সাধাৰণতে চাৰিটা ভাগত বিভক্ত কৰা হৈছে। এই ভাগ কেইটা হৈছে — শৈশৱকাল, বাল্যকাল, কৈশোৰকাল আৰু প্ৰাপ্তবয়স্ককাল। সাধাৰণতে জন্মৰ পৰা ৫ বছৰ বয়সলৈ শৈশৱকাল, ৬ বছৰৰ পৰা ১২ বছৰলৈ বাল্যকাল, ১২ বছৰৰ পৰা ১৮ বছৰলৈ কৈশোৰকাল আৰু ১৮ বছৰৰ পিছৰ পৰা প্ৰাপ্তবয়স্ককাল ধৰা হয়। মানুহৰ বিকাশ যদিও এক অবিৰত প্ৰক্ৰিয়া তথাপি আলোচনাৰ সুবিধাৰ্থে এনেদৰে ভাগ কৰা হৈছে। মানুহৰ জীৱনৰ প্ৰথম তিনিটা স্তৰ বিকাশ আৰু শিক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। প্ৰত্যেক স্তৰতেই কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। বিকাশৰ স্তৰ অনুযায়ী প্ৰয়োজন, সমস্যা, শিক্ষাৰ ব্যৱস্থা আদি বেলেগ বেলেগ।

শৈশৱকাল ঃ

শৈশৱকালত শাৰীৰিক বিকাশ দ্ৰুত গতিত বৃদ্ধি হয়। এই সময়ত শিশুৱে খেলা খেলি বেছি ভাল পায়। সৰ্বপ্ৰাণবাদিতা, কৌতুহল পৰায়ণতা, অনুকৰণপ্ৰিয়তা আদি মনোভাৱ শৈশৱত দেখা যায়। সংবেদনাত্মক বিকাশ আৰু ভাষাৰ বিকাশ হয়। কল্পনা প্ৰৱণতা, প্ৰবৃত্তিমূলক প্ৰৱণতা, আত্মকাম প্ৰৱণতা এই সময়ত জাগি উঠে। শিশু আত্মকেন্দ্ৰিক স্বভাৱৰ হয়। শিশুৰ দেহ-মানসিক প্ৰয়োজন কিছুমান থাকে। সু-স্বাস্থ্যৰ বাবে পৰিমিত বা সুষম খাদ্যৰ দৰকাৰ। উপযুক্ত আদৰ-যত্নৰ প্ৰয়োজন। শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক আদি দিশৰ উৎকৰ্ষ সাধনৰ বাবে খেলা-ধূলাৰ দৰকাৰ। কৌতুহলী মনৰ শিশুৱে সকলো কথা জনাৰ বাবে প্ৰয়োজন অনুভৱ কৰে। মৰম-চেনেহ আৰু নিৰাপত্তাৰ প্ৰয়োজনে শিশুক সকলো কামতে উৎসাহিত আৰু সাহসী কৰি তোলে। শিশু সৰু হ'লেও মৰ্যাদা বিচাৰে। স্বাধীনভাৱে সকলো কাম কৰিব বিচাৰে। শিশুৰ প্ৰয়োজনবোৰ পূৰণত সকলোৱে পাৰ্যমানে গুৰুত্ব দিব লাগে। পৰিয়ালৰ জড়িয়তে শিশুৰ ওপৰত দৈহিক, আৱেগিক, সাংস্কৃতিক, বৈষয়িক, নৈতিক, অনুশাসন আদিৰ প্ৰভাৱ পৰে। গতিকে ঘৰখনেই শিশুৰ বিকাশৰ প্ৰধান ঠাই। তাৰোপৰি শিশুৰ শিক্ষা প্ৰথমে গৃহতেই আৰম্ভ হয় বুলি ক'ব পাৰি। কাৰণ আনুষ্ঠানিক শিক্ষাৰ আগতে শিশুৱে পিতৃ-মাতৃ আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ পৰা ভাষা, নীতি-নিয়ম,

DAILY ASSAM



আচাৰ-ব্যৱহাৰ আদি লাগতিয়াল কথাবোৰ শিকে। গতিকে শিশুৰ বিকাশত গৃহ-পৰিৱেশৰ ভূমিকা অপৰিসীম। শিশুৰ বৈশিষ্ট্য আৰু প্ৰয়োজনবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে।

**বাল্যকাল ঃ**

বাল্যকালত দৈহিক বিকাশে শৈশৱৰ তুলনাত কিছু মন্থৰ হয় যদিও বাল্যকালৰ শেষবছৰোত পুণৰ ক্ষিপ্ত গতিত বৃদ্ধি হয়। বাল্যকাল শিক্ষা আহৰণৰ সময়। বৌদ্ধিক বিকাশ, সামাজিক বিকাশ, সৃষ্টি প্ৰতিভাৰ বিকাশ এই সময়ত হোৱা দেখা যায়। এই সময়ত শিশুই সমনীয়াৰ লগত খেলি ভাল পায়। দল গঠন কৰে। দলীয় আনুগত্য প্ৰকাশ পায়। সামাজিক হ'বলৈ শিকে। এই সময়ত ল'ৰা-ছোৱালীৰ মাজত সমকামিতাৰ ভাব দেখা যায়। বাল্যকালৰ বৈশিষ্ট্যবোৰৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে।

**কৈশোৰকাল ঃ**

কৈশোৰকাল যৌৱন প্ৰাপ্তিৰ সময়। এই সময়ত ল'ৰাই পৌৰুষত্ব আৰু ছোৱালীয়ে নাৰীত্ব লাভ কৰে। দৈহিক বিকাশ ক্ষিপ্ৰগতিত হয়। শৰীৰৰ অংগ-প্ৰতংগবোৰ পুৰঠ আৰু সবল হয়। ল'ৰা-ছোৱালীৰ দেহ গঠন যোগ্যতা, মাত-কথা আদিৰ পাৰ্থক্য দেখা যায়। কৈশোৰকালত মানসিক বিকাশ উচ্চ স্তৰৰ হয়। অৰ্থাৎ উচ্চস্তৰীয় জ্ঞান আৰু দক্ষতামূলক শিক্ষা লাভ কৰিবৰ বাবে উপযুক্ত সময়। এই সময়ত আৱেগিক বিকাশ প্ৰৱল হয়। আৱেগৰ নিয়ন্ত্ৰণ ক্ষমতা নাথাকে বাবে কেতিয়াবা সমস্যাৰ সৃষ্টি হয়। এই সময়ত মানসিক সচেতনতা আৰু নৈতিক চেতনা বৃদ্ধি পায়। কৈশোৰকালত ল'ৰা-ছোৱালীৰ মাজত বিপৰীত লিংগকামিতাই দেখা দিয়ে। সৃষ্টিশীল কল্পনা জাগৰণ হয়। বীৰ-পূজা প্ৰৱণতাই দেখা দিয়ে। দুঃসাহসীক কাম কৰি কিশোৰ-কিশোৰীয়ে ভাল পায়। সকলো কথাত আত্মনিৰ্ভৰশীল হয়। কৈশোৰৰ কিছুমান প্ৰয়োজন থাকে। দৈহিক প্ৰয়োজনৰ বাবে পৰিমিত খাদ্য, ব্যায়াম আদিৰ দৰকাৰ। কিশোৰ-কিশোৰীয়ে যৌন প্ৰয়োজন অনুভৱ কৰে। বৌদ্ধিক প্ৰয়োজনৰ বাবে নতুন নতুন জ্ঞান লাভ কৰিব বিচাৰে। সামাজিক নিৰাপত্তা, সামাজিক স্বীকৃতি আদিৰ প্ৰয়োজন অনুভৱ কৰে। কিশোৰ-কিশোৰীয়ে অধিক শাসনত থাকি ভাল নাপায়। সেইবাবে স্বাধীনতাৰ প্ৰয়োজন অনুভৱ কৰে। কৈশোৰৰ কেতবোৰ সমস্যাও আছে। সেইবোৰৰ ভিতৰত যৌন সমস্যা, আৱেগিক সমস্যা, সামাজিক সমস্যা, শিক্ষা সমস্যা, অপৰাধ প্ৰৱণতাৰ সমস্যা আদি প্ৰধান। কৈশোৰৰ সমস্যাবোৰৰ সমাধান উলিয়াব নোৱাৰিলে তেওঁলোকে বিপথে পৰিচালিত হৈ

নানা অসামাজিক কামত লিপ্ত হ'ব পাৰে। সেইকাৰণে সকলোৱে তেওঁলোকৰ সমস্যাবোৰ বুজিবলৈ যত্ন কৰা উচিত। কিশোৰ-কিশোৰীৰ বৈশিষ্ট্য, প্ৰয়োজন, সমস্যা আদিৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা-ব্যৱস্থা কৰিব লাগে।

## প্ৰশ্নাৱলী

(১) বৃদ্ধি আৰু বিকাশৰ মাজত পাৰ্থক্য কি? ২

(২) মানৱ জীৱনৰ বিকাশৰ স্তৰ কেইটা? ১

(৩) জন্মৰ পৰা ৫বছৰ বয়সৰ স্তৰটোৰ নাম কি? ১

(৪) ১২ বছৰৰ পৰা ১৮ বছৰ বয়সৰ স্তৰটোৰ নাম কি? ১

(৫) বিকাশৰ তিনিটা বৈশিষ্ট্য লিখা। ৩

(৬) বাল্যকালক বিদ্যালয় শিক্ষাৰ বয়স কিয় বোলে? ৩

(৭) শিশুৱে কিয় সঘনে প্ৰশ্ন সোধে? ৩

(৮) শৈশৱকাল কাক বোলে? ২

(৯) শৈশৱকালৰ ৫ টা বৈশিষ্ট্য লিখা। ৫

(১০) বাল্যকাল কাক বোলে? বাল্যকালৰ ৩ টা বৈশিষ্ট্য লিখা। ২+৩=৫

(১১) কৈশোৰকাল কাক বোলে? কৈশোৰকালক ধুমুহা আৰু পীড়নৰ সময় বুলি কিয় কোৱা হয়? ২+৩=৫

(১২) শৈশৱকালৰ ৫ টা দেহ-মানসিক প্ৰয়োজন উল্লেখ কৰা। ৫

(১৩) কৈশোৰকালৰ ৫ টা দেহ-মানসিক প্ৰয়োজন উল্লেখ কৰা। ৫

(১৪) কৈশোৰকালৰ ৫ টা সমস্যাৰ বিষয়ে লিখা। ৫

(১৫) দলীয় আনুগত্য কি? ৩

(১৬) বিপৰীত লিংগকামিতা কাক বোলে? ৩

(১৭) সৰ্বপ্ৰাণবাদিতা কাক বোলে? ৩

(১৮) শৈশৱৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে চমুকৈ লিখা। ৫

DAILY ASSAM



(১৯) বাল্যকালৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে চমুকৈ লিখা। ৫

(২০) কৈশোৰকালৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে চমুকৈ লিখা। ৫

(২১) শিশুৰ বিকাশত গৃহ-পৰিৱেশৰ প্ৰভাৱৰ বিষয়ে লিখা। ৫

## কাৰ্যাৱলী

(১) এজনী চাৰি বছৰীয়া ছোৱালীক এটা পুতলা আৰু এখন কিতাপ দেখুৱাই দুয়োটাৰ মাজত কোনটো ভাল পায় সুধি চোৱা। শৈশৱকালৰ বৈশিষ্ট্যৰ লগত ছোৱালীজনীৰ উত্তৰৰ মিল আছেনে? পৰীক্ষা কৰা।

(২) দহ বছৰীয়া ল'ৰা এজনক বিকাশৰ কোনটো স্তৰত অন্তৰ্ভূক্ত কৰিবা? তেওঁ ল'ৰাৰ লগত খেলি ভাল পায় নে ছোৱালীৰ লগত খেলি ভাল পায় সুধি চোৱা। বিকাশৰ স্তৰৰ বৈশিষ্ট্যৰ লগত তেওঁৰ উত্তৰটোৰ মিল আছে নে? পৰীক্ষা কৰা।

(৩) বিকাশৰ কোনটো স্তৰ তোমাৰ আটাইতকৈ ভাল লাগে? তোমাৰ সমনীয়াবোৰক এই বিষয়ে সুধি চোৱা আৰু তোমাৰ উত্তৰৰ লগত সাদৃশ্য আছে নে? পৰীক্ষা কৰা।

## প্ৰসংগ গ্ৰন্থসমূহ


1. A. Mukherjee : Educational Psychology –A.P. Bose Publishing Company Calcutta, 1978.
2. E.B. Hurlock : Developmental Psychology – Tata Mc Grow-Hill Publishing Co. Ltd. 1981.
3. H.R. Bhatia : Elements of Educational Psychology- Orient Longman Ltd. New Delhi 1989.
4. G.C. Aggawal : Essentials of Educational Psychology-Bikas Publishing House. New Delhi. 1996.
5. M. Dash : Educational Psychology Deep. & Deep Publications, New Delhi.